**2022**

# ASSAMESE

( Honours Generic/Regular )

Paper : ASM–HG/RC–1016

**( অসমীয়া ভাষাৰ ইতিহাস )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) চৰ্যাপদবোৰ প্ৰথমে ক'ৰ পৰা উদ্ধাৰ কৰা হৈছিল?

(খ) মাধৱ কন্দলিৰ পৃষ্ঠপোষক ৰজাজনৰ নাম কি?

(গ) কোনখন গ্ৰন্থৰ আধাৰত শংকৰদেৱে 'দশম' ৰচনা কৰিছিল?

(ঘ) গদ্যত ৰচনা কৰা চৰিত পুথি এখনৰ নাম লিখা।

(ঙ) 'বুৰঞ্জী' কি ভাষাৰ পৰা অহা শব্দ?

(চ) অসমীয়া ভাষাত প্ৰকাশিত প্ৰথম আলোচনীখনৰ নাম কি?

(ছ) হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা বিখ্যাত অসমীয়া অভিধানখনৰ নাম কি?

(জ) লক্ষ্মীনাথ বেজবৰুৱাই সংকলন কৰা এখন সাধুকথাৰ পুথিৰ নাম লিখা।

(ঝ) অসমীয়া ভাষাৰ লগত সাদৃশ্য থকা যি কোনো এটা আধুনিক ভাৰতীয় ভাষাৰ নাম লিখা।

(ঞ) আনুমানিক কিমান খ্ৰীষ্টাব্দত অসমীয়া ভাষাৰ উদ্ভৱ হোৱা বুলি কোৱা হয়?

(ট) মাধৱ কন্দলি কোন শতিকাৰ কবি?

(ঠ) যি কোনো এজন চৰ্যাকাৰৰ নাম লিখা।

(ড) এবিধ মন্ত্ৰৰ নাম উল্লেখ কৰা।

(ঢ) চৰিত পুথিৰ গদ্যৰ এটা বৈশিষ্ট্য লিখা।

(ণ) অসমৰ পঢ়াশালিত অসমীয়া ভাষা প্ৰৱৰ্তনৰ হকে মিল্‌ছ চাহাবৰ ওচৰত আৰ্জি দিয়া লেখকজনৰ নাম কি?

(ত) 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী' পুথিখনৰ ৰচক কোন?

(থ) 'বুঢ়ী আইৰ সাধু'-ত থকা এটা সাধুকথাৰ নাম লিখা।

(দ) 'বাহগড়ীয়া বুৰঞ্জী' কোনে ৰচনা কৰিছিল?

২। তলৰ প্ৰশ্নসমূহৰ চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) চৰ্যাপদসমূহ কোন ধৰ্মৰ লগত জড়িত? কোনজন ব্যক্তিয়ে চৰ্যাপদ উদ্ধাৰ কৰি প্ৰথমে প্ৰকাশ কৰিছিল?

(খ) মাধৱ কন্দলিৰ ৰামায়ণত মুঠ কেইটা কাণ্ড পোৱা যায়? এই ৰামায়ণখনৰ 'আদিকাণ্ড' কোনে ৰচনা কৰি সংযোজন কৰিছিল?

(গ) শংকৰদেৱে ব্ৰজাৱলী ভাষা ব্যৱহাৰ কৰা যি কোনো দুবিধ সাহিত্যৰ নাম লিখা।

(ঘ) মাগধী-প্ৰাকৃতৰ পৰা ওলোৱা অপভ্ৰংশ ভাষা দুবিধ কি কি?

(ঙ) অসমীয়া ভাষাৰ দৰেই চৰ্যাপদক নিজ ভাষাৰ নিদৰ্শন বুলি দাবী কৰা যি কোনো দুটা ভাষা উল্লেখ কৰা।

(চ) মধ্য অসমীয়া ভাষাৰ বিশেষত্ব প্ৰকাশ পোৱা দুখন বুৰঞ্জীৰ নাম লিখা।

(ছ) প্ৰথম অসমীয়া ছপা পুথিখন ক'ৰ পৰা প্ৰকাশ হৈছিল? পুথিখনৰ অনুবাদকজনৰ নাম লিখা।

(জ) অসমীয়া ভাষাৰ প্ৰথম আৰু দ্বিতীয় ব্যাকৰণ দুখনৰ ৰচক দুজন কোন?

(ঝ) পদ্যত লিখা দুখন বুৰঞ্জী পুথিৰ নাম লিখা।

(ঞ) 'বৰদোৱা চৰিত' আৰু 'শংকৰ-মাধৱ চৰিত'-ৰ চৰিতকাৰ দুগৰাকী কোন?

৩। তলৰ প্ৰশ্নসমূহৰ চমুকৈ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) চৰ্যাপদৰ লগত অসমীয়া ভাষাৰ ব্যাকৰণগত সাদৃশ্য দেখুওৱা।

(খ) তামৰ ফলিৰ ভাষাৰ বিষয়ে লিখা।

(গ) মাধৱ কন্দলিৰ ৰামায়ণৰ শব্দভাণ্ডাৰৰ বিশেষত্ব দেখুৱাই এটা টোকা লিখা।

(ঘ) অসমীয়া ভাষাৰ বানান পদ্ধতিলৈ হেমচন্দ্ৰ বৰুৱাই কি কি সংস্কাৰ আনিবলৈ চেষ্টা কৰিছিল?

(ঙ) 'বুঢ়ী আইৰ সাধু'ৰ ভাষিক বৈশিষ্ট্য সম্পৰ্কে এটি চমু টোকা লিখা।

(চ) মন্ত্ৰপুথিসমূহৰ ভাষা সম্পৰ্কে লিখা।

(ছ) মিচনেৰি গদ্য মানে কি বুজায়? এই গদ্যৰ বিশেষত্ব কেনেধৰণৰ?

(জ) আধুনিক অসমীয়া ভাষাৰ বিকাশত হেমচন্দ্ৰ বৰুৱা বা 'অৰুণোদই'ৰ অৱদানৰ আভাস দিয়া।

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ১০×৪=৪০

(ক) অসমীয়া ভাষাৰ বিকাশৰ স্তৰকেইটা উল্লেখ কৰি যি কোনো এটা স্তৰৰ বিষয়ে লিখা।

(খ) প্ৰাক্‌শংকৰ যুগৰ কবিকেইজনৰ নাম লিখি এই যুগৰ সাহিত্যৰ ভাষিক বৈশিষ্ট্য সম্পৰ্কে লিখা।

(গ) 'দশম' কাব্যৰ ৰচনা-ৰীতিৰ মাজেৰে কবি হিচাপে শংকৰদেৱৰ প্ৰতিভা কেনেদৰে ফুটি ওলাইছে?

(ঘ) অসমীয়া গদ্যৰ বিকাশৰ বিভিন্ন ধাৰাসমূহৰ উল্লেখ কৰি এই ধাৰাবোৰৰ মাজৰ সাদৃশ্য আৰু পাৰ্থক্য দেখুৱাই এটি তুলনামূলক আলোচনা আগবঢ়োৱা।

(ঙ) আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যত ইংৰাজী ভাষাৰ প্ৰভাৱ সম্পৰ্কে এটি আলচ প্ৰস্তুত কৰা।

(চ) অসমৰ পঢ়াশালিত কেতিয়া আৰু কেনেকৈ অসমীয়া ভাষাৰ পুনঃপ্ৰতিষ্ঠা হৈছিল? এই ক্ষেত্ৰত আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান সম্পৰ্কে লিখা।

(ছ) লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত অসমীয়া ভাষাৰ এটি সাৰ্থক ৰূপ ফুটি উঠা বুলি ভাবানে? তোমাৰ পাঠ্যৰ পৰা উদাহৰণ দি লিখা।

(জ) হেমচন্দ্ৰ বৰুৱাৰ আত্মজীৱন চৰিতটিৰ ভাষাৰ বিশেষত্ব আলোচনা কৰা।

(ঝ) অসমীয়া ভাষাৰ উদ্ভৱৰ গতিপথ বৰ্ণনা কৰা।

★ ★ ★